**অসম বিধান সভা**
**লিখিত প্ৰশ্ন নং- ২৩১**
**উত্তৰ দিয়াৰ তাৰিখ-১০/০৭/২০২৬**

বিষয়ঃ ডিগবৈ সমষ্টিৰ অন্তৰ্গত বুঢ়ীদিহিং মৌজাত দুখন উপ-স্বাস্থ্যকেন্দ্ৰ কাৰ্য্যক্ষম কৰাৰ সম্পৰ্কে।
শ্ৰীসুৰেণ ফুকন, মাননীয় বিধায়ক।

মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ডিগবৈ সমষ্টিৰ অন্তৰ্গত বুঢ়ীদিহিং মৌজাত নৱনিৰ্মিত দুখন উপ-স্বাস্থ্যকেন্দ্ৰ ক্ৰমে চিকৰাজান উপ-স্বাস্থ্যকেন্দ্ৰ আৰু কৈলাশপুৰ উপ-স্বাস্থ্যকেন্দ্ৰত বৰ্তমানো চিকিৎসক আৰু কৰ্মচাৰীৰ অভাৱত জনসাধাৰণৰ বাবে কাৰ্যক্ষম হৈ উঠা নাই , এইক্ষেত্ৰত উক্ত উপ-স্বাস্থ্যকেন্দ্ৰ দুটাত চিকিৎসক আৰু কৰ্মচাৰী নিয়োগৰ ক্ষেত্ৰত চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছে নেকি ?

-উত্তৰ-

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী অশোক সিংহল মহোদয়ে উত্তৰ দিবঃ

অসমত উপ-স্বাস্থ্যকেন্দ্ৰসমূহত চিকিৎসক নিযুক্তিৰ ব্যৱস্থা বৰ্তমান নাই। উপ-স্বাস্থ্যকেন্দ্ৰসমূহত সাধাৰণতে ANM, Multi Purpose Worker (Male) আদি নিয়োজিত থকাৰ ব্যৱস্থা আছে। ডিগবৈ সমষ্টিৰ অন্তৰ্গত বুঢ়ীদিহিং মৌজাত অৱস্থিত নৱনিৰ্মিত চিকৰাজান উপ-স্বাস্থ্যকেন্দ্ৰ আৰু কৈলাশপুৰ উপ-স্বাস্থ্যকেন্দ্ৰৰ ভিতৰত চিকৰাজান উপ-স্বাস্থ্যকেন্দ্ৰত এগৰাকী ANM নিয়োজিত আছে। ইয়াৰ উপৰি, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান (NHM), অসমৰ অধীনত উপ-স্বাস্থ্যকেন্দ্ৰকে ধৰি বিভিন্ন স্বাস্থ্য প্ৰতিষ্ঠানৰ বাবে নাৰ্চিং কৰ্মচাৰী নিয়োগৰ প্ৰক্ৰিয়া চলি আছে।

--০০০---

বিঃদ্ৰঃ উত্তৰ আৰু পৰিশিষ্ট অসম বিধানসভাৰ ৱেবছাইটত আপলোড কৰা হৈছে ।